**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------------------

১। ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ আসন ভাগ-বটোৰাৰাক লৈ এন ডি এৰ মিত্ৰদলসমূহৰ মাজত আলোচনা অব্যাহত।

২। ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰত্যাখ্যান।

৩। গুৱাহাটীৰ অসম গ্ৰন্থমেলাত কালি পৰ্যন্ত ৫ কোটি ২০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গ্ৰন্থমেলাৰ স্মৃতিগ্ৰন্থ উন্মোচন।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ আজি তৃতীয়টো শুনানি। **আৰু**

৫। ভাৰত-ম্যানমাৰ সীমান্তত আছাম ৰাইফলছৰ ৩৩ কোটি টকাৰো অধিক মূল্যৰ মাদ্ৰক দ্ৰব্য জব্দ।

oooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত কালি বিজেপিৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম বিধানসভা নিৰ্বাচনৰ প্ৰভাৰী বৈজয়ন্ত জে পাণ্ডা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বৈঠকত ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা হোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠক সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে বৈঠকত নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদানক লৈ গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। আসন ভাগ-বটোৰাৰাক লৈ এন ডি এৰ মিত্ৰদলসমূহৰ সৈতে আলোচনা চলি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অগপ দলে মিত্ৰতাত থাকিব বিচাৰিলে বিজেপিৰ নেতৃত্বৰ সৈতে আসন বুজাবুজি কৰিব লাগিব। এই বিষয়ত অগপৰ শীৰ্ষ নেতাৰ সৈতে আলোচনা চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

**ৰাইট (চি এম)**

oooooo

ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে প্ৰত্যাখ্যান কৰিছে। উল্লেখযোগ্য যে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনৰ পাছতে জনজাতি সংগঠনসমূহে প্ৰতিবেদনখন পুংখানুপুংখভাৱে অধ্যয়ন কৰি সিদ্ধান্ত ল'বলৈ এমাহ সময় বিচাৰিছিল। সমন্বয়ৰক্ষী সমিতিয়ে মানৱাধিকাৰ কৰ্মী সুহাস চাকমাৰ অধ্যক্ষতাত এখন বিশেষজ্ঞ সমিতি গঠন কৰিছিল। এই বিশেষজ্ঞ সমিতিয়ে মন্ত্ৰীগোটৰ প্ৰতিবেদন তন্ন তন্নকৈ অধ্যয়ন কৰি প্ৰয়োজনীয় নথি-পত্ৰসহ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিক চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। কালি এখন সংবাদমেলত সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্বই এই বিষয়টো সম্পূৰ্ণৰূপে নাকচ কৰি ভাৰতীয় সংবিধানত অনুসূচিত জাতি আৰু জনজাতি দুটা সুকীয়া আৰু স্বকীয় বৈশিষ্ট

থকা পৃথক গোট বুলি মন্তব্য কৰে। তেওঁলোকে লগতে পৰৱৰ্তী পদক্ষেপ হিচাপে ৪ অথবা ৫ জানুৱাৰীত মন্ত্ৰীগোটক বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনখন দাখিল কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০

যোৱা ২৪ ডিচেম্বৰত আৰম্ভ হোৱা অসম গ্ৰন্থমেলাৰ কালি দশম দিনাও গ্ৰন্থপ্ৰেমীয়ে আশাব্যঞ্জক সঁহাৰি আগবঢ়ায়। অসম প্ৰকাশন পৰিষদৰ লগতে অন্যান্য পুথি বিক্ৰেতাসকলে প্ৰকাশ কৰা অনুসৰি অসম গ্ৰন্থমেলাত কালি পৰ্যন্ত ৫ কোটি ২০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জল পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থমেলাৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে। তেওঁ গ্ৰন্থমেলা কিতাপৰ তীৰ্থস্থান বুলি উল্লেখ কৰি কয়, যে গ্ৰন্থমেলা হৈছে পাঠক সমাজ গঢ়ি তোলাৰ মহৎ পদক্ষেপ।

**বাইট (সৰ্বা)**

প্ৰকাশন পৰিষদৰ জুবিন গাৰ্গ সোঁৱৰণি অস্থায়ী প্ৰেক্ষাগৃহত কালি সাহিত্য আলচ শীৰ্ষক এখন লেখক-পাঠক সমাৰোহ অনুষ্ঠিত হয়। জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু বিশিষ্ট লেখক নোমল মাহাত্তাই উদ্বোধন কৰা সমাৰোহখন অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে সঞ্চালনা কৰে।

গ্ৰন্থমেলাত আজি দিনৰ ১১ বজাত মহিলাসকলৰ ভিন্নসুৰী অনুষ্ঠান অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি অপৰাজিতা পূজাৰীৰ সঞ্চালনাত হ'বলগীয়া বহুভাষিক কবি সন্মিলনত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশৰ জনপ্ৰিয় কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত ৭ জনৰ বিৰুদ্ধে আজি কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানি গ্ৰহণ কৰা হ'ব। এই শুনানিত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্তসহ আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ কোনটো ধাৰাত বিচাৰ চলিব সেয়া নিশ্চিত কৰাৰ সম্ভাৱনা আছে। অৱশ্যে আজিৰ শুনানিত চৰকাৰী পক্ষৰ অধিবক্তাই অতিৰিক্ত সময় লোৱাৰো সুযোগ থাকিব। নিয়ম অনুসৰি কি ধাৰাত বিচাৰ চলিব সেই বিষয়ে গ্ৰহণ কৰা শুনানিত অভিযুক্তই আদালতত সোঁশৰীৰে উপস্থিত থাকিব লাগে যদিও আইন শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতৰ অনুমতি সাপেক্ষে কাৰাগাৰ কৰ্তৃপক্ষই সাতোজন অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে হাজিৰ কৰোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

০০০০০০

জুবিন গাৰ্গৰ খাৰঘুলিৰ বাসগৃহত প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেলযোগে পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰকাশ কৰিছে। গৰিমা শইকীয়া গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে সম্বোধন কৰা সংবাদমেলখনত তেওঁলোকে কয়, যে জুবিন গাৰ্গ ন্যাসে সামাজিক আৰু সাংস্কৃতিক দিশত কাম কৰি যাব। ন্যাসটো জুবিন গাৰ্গৰ খুড়াক মনোজ বৰঠাকুৰ, জ্যেষ্ঠ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই পৰিচালনা কৰিব। জুবিন গাৰ্গ ন্যাসৰ অধীনত কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, অভিনয় আৰু জুবিন গাৰ্গৰ সন্দৰ্ভত চলি থকা বিভিন্ন গৱেষণা শীৰ্ষক ৩টা শাখা থাকিব বুলিও তেওঁলোকে প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে পুনৰ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৭ জানুৱাৰীৰ দিনা সৰুসজাই ষ্টেডিয়ামত বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন জনসভাত ভাগ ল'ব। এই সভাৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে ৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি সৰুসজাই ষ্টেডিয়াম পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰীৰ উপস্থিতিত হ'বলগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে বাগৰুম্বাৰ নৃত্যত ২৩

খন জিলাৰ ১০ হাজাৰৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰস্তুতি সন্দৰ্ভত কলিয়াবৰৰ কুঁৱৰীটোলত থকা অসম গণ পৰিষদৰ কাৰ্যালয়তো অগপ আৰু বিজেপি নেতা কৰ্মীসকলৰ এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা, অতুল বৰা, কেশৱ মহন্তকে ধৰি স্থানীয় বিধায়ক আৰু সাংসদসকলে অংশগ্ৰহণ কৰে।

০০০০০০

অসম চৰকাৰে সাংবাদিকৰ বাবে পেঞ্চন আঁচনিৰ অধীনত ২০ গৰাকী অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিকলৈ সাংবাদিক পেঞ্চন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এইসকলৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিক মণি মহন্ত, মনোজ অগষ্টি, মনোজ দত্ত, দ্যা ছেণ্টিনেল কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক বিজয় কুমাৰ শৰ্মা, দি আছাম ট্ৰিবিউন কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক অনুপ বিশ্বাস আৰু হাছান আহমেদ, আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত কামৰূপ জিলাৰ অংশকালীন সংবাদদাতা তাপস সামাদ্দাৰ, দৈনিক জনমভূমি কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক জেতবন বৰুৱা আৰু ভাৰত তামুলী, দৈনিক অসম কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক সুমেশ ডেকা আৰু তৰুণ মুক্তিয়াৰ, দৈনিক অগ্ৰদূত কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক ফণীধৰ পাঠকো আছে। এই সাংবাদিকসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ সাংবাদিক পেঞ্চন লাভ কৰিব।

০০০০০০

লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু প্ৰতিষ্ঠান বিভাগৰ যৌথ উদ্যোগত কালিৰেপৰা বিশ্বনাথ জিলাত স্বদেশী মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ কমলাকান্ত ক্ষেত্ৰত অনুষ্ঠিত এই মেলাৰ অহা ৬ জানুৱাৰীত সামৰণি পৰিব। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে মেলাৰ মুখ্য দ্বাৰ উন্মোচন কৰে। অনুষ্ঠানত বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, সহকাৰী জিলা আয়ুক্ত অমৃতপ্ৰভা দাস, সোনম দাস, পৌৰপতি অমৰজ্যোতি বৰঠাকুৰকে আদি কৰি ভালেসংখ্যক লোক উপস্থিত থাকে। বিশ্বনাথৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহকাৰী সঞ্চালক ঐচ্ছিক ডেকাই কয়, যে স্বদেশী মেলাই উদ্যোগীসকলক এখন মঞ্চ আৰু পৰিচিতি দিছে। অনুষ্ঠানত মুঠ ৪৮ খন বিপণীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত  এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

আছাম ৰাইফলছে ভাৰত-ম্যানমাৰ সীমান্তত অভিযান চলাই কালি বুজন পৰিমাণৰ মেথামফেটামাইন টেবলেটসহ এজন সৰবৰাহকাৰীক আটক কৰে। মাদ্ৰক দ্ৰব্যখিনিৰ বজাৰ মূল্য ৩৩ কোটি টকাৰো অধিক হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। প্ৰতিৰক্ষা মুখপাত্ৰই জনোৱা মতে ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপত মাদক দ্ৰব্য সৰবৰাহ সন্দৰ্ভত লাভ কৰা গোপন সূত্ৰৰ ভিত্তিত আছাম ৰাইফলছে মিজোৰাম আৰক্ষীৰ সৈতে ছাইটুৰেল জিলাৰ কাইফাং অঞ্চলত অভিযান চলায়। এই অভিযানত ১১ কিলোগ্ৰামৰো অধিক মেথামফেটামাইন টেবলেট জব্দ কৰা হয়। আছাম ৰাইফলছে লগতে অসমৰ বদৰপুৰ জিলাৰ নিবাসী হাছান আলী নামৰ সৰবৰাহকাৰীজনক আটক কৰি মিজোৰাম আৰক্ষীক গতাই দিয়ে।

০০০০০০

ভোটদাতাসকলৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি আৰু কাইলৈ দৰং নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৯০৭ টা ভোটকেন্দ্ৰত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ অভিযান অনুষ্ঠিত হ'ব। এই উদ্দেশ্যে ভোটদাতাসকলক নিজ

নিজ ভোটকেন্দ্রলৈ গৈ প্রয়োজনীয় প্র-পত্র জমা দিবলৈ দৰং জিলা নিৰ্বাচন বিভাগে এখন প্ৰেছ্‌ বিজ্ঞপ্তিৰ জৰিয়তে আহ্বান জনাইছে।

০০০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি বজালী জিলাৰ দুটা বিধানসভা সমষ্টিত আজি বিশেষ গাঁওসভা আৰু ৱাৰ্ড কমিটীৰ বৈঠক অনুষ্ঠিত হ'ব। ২১ নম্বৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টি আৰু ২৬ নম্বৰ বজালী বিধানসভা সমষ্টিত এই বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত নাগৰিকসকলে ভোটাৰ তালিকাত নিজৰ নাম, তথ্য পৰীক্ষা কৰাৰ লগতে কৰ্তন, অন্তৰ্ভুক্তি, স্থানান্তৰ বা সংশোধনৰ প্ৰয়োজন হ'লে অনলাইন আবেদন কৰিব পাৰিব। এই সন্দৰ্ভত যিকোনো সহায়ৰ বাবে স্থানীয় বি এল অ'ৰ সৈতে যোগাযোগ কৰাৰ লগতে voters.eci.gov.in অথবা ceoassam.nic.inত Log in কৰিবলৈ বজালী জিলা নিৰ্বাচনী বিষয়াই জিলাখনৰ ভোটদাতাসকলক আহ্বান জনাইছে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ্‌ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি ধেমাজি জিলাৰ চিচিবৰগাঁও বিধানসভা সমষ্টিৰ কুলাজানত অনুষ্ঠিত এখন দলীয় সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছ্‌ৰ সভাপতিগৰাকীয়ে কয়, যে এইবাৰ অসমৰ নিৰ্বাচন ভাৰতৰ বাবে ব্যতিক্ৰমী নিৰ্বাচন হ'ব। জনসাধাৰণে ধনবল, বাহুবল ওফৰাই কংগ্ৰেছ্‌ৰ সপক্ষে নিৰ্বাচনত যুঁজ দিব বুলিও সাংসদগৰাকীয়ে প্ৰকাশ কৰে। এই সভাত গৌৰৱ গগৈৰ লগতে দলৰ বহু নেতাকৰ্মী উপস্থিত থাকে।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ হামৰেন আৰক্ষী থানাৰ সমীপৰ অসম-মেঘালয় সীমান্তৰ আৰ্টিং গাঁৱৰ সমীপৰ এটি জলপ্ৰপাতত কালি এগৰাকী অচিনাক্ত কিশোৰীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। থাই আপচি নামৰ এই জলপ্ৰপাতটোত শিলৰ পৰা পিছলি পৰি কিশোৰীগৰাকীৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ পাছতে আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হয় আৰু তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

অসম চৰকাৰে সাংবাদিকৰ বাবে পেঞ্চন আঁচনিৰ অধীনত ২০ গৰাকী অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিকলৈ সাংবাদিক পেঞ্চন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এইসকলৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সাংবাদিক মণি মহন্ত, মনোজ অগষ্টি, মনোজ দত্ত, দ্যা ছেণ্টিনেল কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক বিজয় কুমাৰ শৰ্মা, দি আছাম ট্ৰিবিউন কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক অনুপ বিশ্বাস আৰু হাছান আহমেদ, আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত কামৰূপ জিলাৰ অংশকালীন সংবাদদাতা তাপস সামাদ্দাৰ, দৈনিক জনমভূমি কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক জেতবন বৰুৱা আৰু ভাৰত তামুলী, দৈনিক অসম কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক সুমেশ ডেকা আৰু তৰুণ মুক্তিয়াৰ, দৈনিক অগ্ৰদূত কাকতৰ অৱসৰপ্ৰাপ্ত সাংবাদিক ফণীধৰ পাঠকো আছে। এই সাংবাদিকসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ সাংবাদিক পেঞ্চন লাভ কৰিব।

০০০০০০

জুবিন গাৰ্গৰ খাৰঘুলিৰ বাসগৃহত প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেলযোগে কালি পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰকাশ কৰা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২৫ খন জিলাৰ ৯১ খন মাতৃভাষা মাধ্যমৰ প্ৰাথমিক বিদ্যালয় বন্ধ কৰি দিয়াৰ নিৰ্দেশ প্ৰদান কৰাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বনভূমিত বাস কৰি থকা জনজাতীয় লোকসকলক উচ্ছেদৰ পৰিৱৰ্তে ভূমিপট্টা প্ৰদানৰ বাবেহে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

২০০০ৰ পৰা ২০২৩ বৰ্ষলৈ ৰাজ্যখনত ৰে'ল দুৰ্ঘটনাত ৬৭ টা হাতীৰ মৃত্যু হোৱা এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত চৰকাৰে ৰাজ্যৰ লক্ষ লক্ষ হিতাধিকাৰীৰ মাজত বিতৰণ কৰিবলগীয়া ধনৰ পৰিমাণ ১৩ হাজাৰ কোটিলৈ বৃদ্ধি পোৱা বাতৰিটোক **দৈনিক অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনত বিজেপিয়ে নতুন মুখৰ প্ৰাৰ্থীক প্ৰাধান্য দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনে উচ্ছেদ অভিযান চলোৱাৰ বাতৰিটো **দৈনিক জনমভূমি, আমাৰ অসম, দা ছেণ্টিনেল** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আবৰি থাকিব। অৱশ্যে পাছলৈ বতৰ কিছু ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সামগ্ৰিকভাৱে অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ বতৰ ফৰকাল থাকিব। মেঘালয়ৰ ঠাই বিশেষে তুষাৰপাতৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**